**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 25-09-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজস্থানৰ **বাছৰাৰা ৰাজস্থান পাৰমাণৱিক শক্তি প্ৰকল্পৰ** আধাৰশিলা স্থাপন কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত চলিত বৰ্ষৰ বিশ্ব খাদ্য সন্মিলন ভাৰত পৰ্ব মুকলি কৰিব।

৩। কেবিনেটৰ নিযুক্তি কমিটীয়ে চীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানৰ কাৰ্যকাল বৃদ্ধিত অনুমোদন জনাইছে।

৪। কাইলৈৰ পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বাগৰি সংমণ্ডল পৰ্যটকৰ বাবে মুকলি কৰিব। *আৰু*

৫। ভাৰত পুৰুষৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰ প্ৰদেশ আৰু ৰাজস্থান ভ্ৰমণ কৰিব। তেওঁ গ্ৰেটাৰ নয়ডাত চলিত বৰ্ষৰ উত্তৰ প্ৰদেশ আন্তঃৰাষ্ট্ৰীয় বাণিজ্য প্ৰদৰ্শনী উদ্বোধন কৰাৰ লগতে এই উপলক্ষে ভাষণ দিব। এই প্ৰদৰ্শনীৰ জৰিয়তে ৰাজ্যখনৰ বৈচিত্ৰ্যপূৰ্ণ শিল্প পৰম্পৰা, আধুনিক উদ্যোগ, শক্তিশালী অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ আৰু যুৱ উদ্যোগীসকলক একেখন মঞ্চলৈ অনাৰ প্ৰয়াস কৰা হৈছে। প্ৰদৰ্শনীত হস্ততাঁত, বস্ত্ৰশিল্প, খাদ্য প্ৰসংস্কৰণ, তথ্য প্ৰযুক্তি আদি ক্ষেত্ৰৰ সৈতে জড়িত ভালেমান সামগ্ৰী প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ উপৰি একেখন প্ৰদৰ্শনীতে উত্তৰ প্ৰদেশৰ চহকী শিল্প, সংস্কৃতি আৰু খাদ্য সম্ভাৰো প্ৰদৰ্শন কৰা হ'ব। অহা ২৯ চেপ্তেম্বৰ পৰ্যন্ত প্ৰদৰ্শনীৰ দ্বাৰ মুকলি থাকিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী ৰাজস্থানলৈ যাব আৰু এক লাখ ২২ হাজাৰ ১০০ কোটি টকা সম্বলিত একাধিক উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে অন্যান্য ভালেমান প্ৰকল্প উদ্বোধন কৰিব। শ্ৰীমোদীয়ে ভ্ৰমণকালত বাঁচৰাৰাত হ'বলগীয়া এখন ৰাজহুৱা সভাত জনসাধাৰণক সম্বোধন কৰিব। অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে পি এম কুছুম আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতেও মত বিনিময় কৰিব। সকলোৰে বাবে সুলভ, নিৰ্ভৰযোগ্য আৰু বহনক্ষম বিদ্যুৎ যোগান নিশ্চিত কৰিবলৈ ভাৰতৰ শক্তি খণ্ডক ৰূপান্তৰ কৰাৰ প্ৰতিশ্ৰুতিৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে আজি অনুশক্তি বিদ্যুত নিগম লিমিটেডৰ মাহীৰ বাঁচৰাৰা ৰাজস্থান পাৰমাণৱিক শক্তি প্ৰকল্পৰ আধাৰশিলা স্থাপন

কৰিব। এই প্ৰকল্পৰ বাবদ প্ৰায় ৪২ হাজাৰ কোটি টকা ধাৰ্য কৰা হৈছে। এই সন্দৰ্ভত আকাশবাণীৰ বাছৰাৰাৰ সংবাদদাতাই এইদৰে কয়-

বাইট

প্ৰধানমন্ত্ৰীয়ে আজি ৰাজস্থানত প্ৰায় ১৯ হাজাৰ ২১০ কোটি টকাৰে নিৰ্মাণ কৰিবলগীয়া ভালেমান সেউজ শক্তি প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ ফালোডী, জয়ছালমেৰ, জালোৰ, ছিকাৰ আদি ঠাইত সৌৰ প্ৰকল্পও উদ্বোধন কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত বিশ্ব খাদ্য সন্মিলন ভাৰত পৰ্ব ২০২৫ মুকলি কৰিব। চাৰিদিনীয়াকৈ হ'বলগীয়া এই সন্মিলনত ভাৰতৰ খাদ্য প্ৰসংস্কৰণ ক্ষেত্ৰ, খাদ্য সংৰক্ষণ, স্বাস্থ্যসন্মত খাদ্য আৰু জৈৱিক খাদ্য উৎপাদন আদি ক্ষেত্ৰত ভাৰতৰ সামৰ্থ প্ৰদৰ্শন কৰাৰ লগতে খাদ্য প্ৰসংস্কৰণৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু বিনিয়োগৰ সুযোগৰ বিষয়ে আলোচনা কৰা হ'ব। এই সন্মিলনত ২১ খনতকৈ অধিক দেশৰ প্ৰতিনিধি, ২১ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ প্ৰতিনিধি, ১০টা কেন্দ্ৰীয় মন্ত্ৰালয়ে ভাগ ল'ব। প্ৰধানমন্ত্ৰী বিধিবদ্ধকৰণ ক্ষুদ্ৰ খাদ্য প্ৰসংস্কৰণ আঁচনিৰ অধীনত এই খণ্ডৰ প্ৰায় ২৬ হাজাৰ হিতাধিকাৰীক ক্ষুদ্ৰ প্ৰকল্পৰ বাবে ঋণ আধাৰিত ৭৭০ কোটি টকাৰ সমৰ্থন আগবঢ়োৱা হ'ব। এই সন্মিলনত মুখ্য কাৰ্যবাহী বিষয়াসকলৰ বৈঠক কাৰিকৰী বিষয়ক সত্ৰ, প্ৰদৰ্শনী আৰু ব্যৱসায়িক বিষয়ৰ সৈতে জড়িত কেইবাখনো বৈঠক অনুষ্ঠিত হ'ব।

ooooo

কেবিনেটৰ নিযুক্তি সমিতিয়ে চীফ্ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহানৰ কাৰ্যকাল বৃদ্ধিত অনুমোদন জনাইছে। তেওঁ এতিয়াৰ পৰা ভাৰত চৰকাৰৰ সামৰিক পৰিক্ৰমা বিভাগৰ সচিব হিচাপেও কাৰ্যনিৰ্বাহ কৰিব। ২০২৬ চনৰ ৩০ মে'লৈ, অথবা পৰৱৰ্তী নিৰ্দেশ জাৰি নোহোৱা পৰ্যন্ত শ্ৰীচৌহানৰ কাৰ্যকাল বাহাল থাকিব। জেনেৰেল শ্ৰীচৌহানক ২০২২ চনৰ ২৮ ছেপ্টেম্বৰত চীফ্ অৱ ডিফেন্স ষ্টাফ হিচাপে নিযুক্তি দিয়া হৈছিল। ভাৰতীয় সেনাবাহিনীলৈ আগবঢ়োৱা উল্লেখযোগ্য সেৱাৰ বাবে তেওঁক ইতিমধ্যে পৰম বিশিষ্ট সেৱা পদক, উত্তম যুধ সেৱা পদক, অতি বিশিষ্ট সেৱা পদক, সেনা পদক আৰু বিশিষ্ট সেৱা পদক প্ৰদান কৰা হৈছে।

ooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ, চি বি এছ্ ইয়ে অহা বছৰ হ'বলগীয়া দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ সাম্ভাব্য সূচী প্ৰকাশ কৰিছে। পৰিষদে জনোৱা অনুসৰি এই পৰীক্ষাসমূহ অহা বছৰৰ ১৭ ফেব্ৰুৱাৰীৰ পৰা ১৫ জুলাইৰ ভিতৰত অনুষ্ঠিত হ'ব। এটা বিবৃতিত পৰিষদে এই সূচীক সাম্ভাব্য সূচী হিচাপে অভিহিত কৰি কয়, যে বিদ্যালয়সমূহে পৰীক্ষাৰ্থীৰ চূড়ান্ত তালিকা জমা দিয়াৰ পাছতহে পৰীক্ষাৰ চূড়ান্ত সূচী প্ৰকাশ কৰা হ'ব। এই পৰীক্ষাত ২০৪টা বিষয়ত ভাৰতৰ উপৰি অন্যান্য ২৬ খন দেশৰ প্ৰায় ৪৫ লাখ শিক্ষাৰ্থী অৱতীৰ্ণ হ'ব। উল্লেখযোগ্য যে এইবেলি প্ৰথমবাৰৰ বাবে একেটা শিক্ষাবৰ্ষতে দুবাৰকৈ দশম শ্ৰেণীৰ পৰীক্ষা অনুষ্ঠিত হ'ব।

ooooo

কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে কৃষকৰ বাবে উচিত মূল্য নিশ্চিত কৰাৰ গুৰুত্বত আলোকপাত কৰি কৃষি ৰাসায়নিক উদ্যোগৰ উত্থানৰ বাবে আহ্বান জনাইছে। নতুন দিল্লীত কালি ভাৰতীয় শস্য যতন পৰিষদৰ ৬২ সংখ্যক বাৰ্ষিক সাধাৰণ সভাত ভাষণ দি তেওঁ কয় যে

গোলকীয় বজাৰত বিভিন্ন কাৰকৰ ফলত দেখা দিয়া দামৰ তাৰতম্যৰ বাবে কৃষকসকলে প্ৰায়ে তেওঁলোকৰ উৎপাদিত সামগ্ৰীৰ উচিত মূল্য লাভ নকৰে। ভাৰত বিশ্বৰ কৃষি ৰাসায়নিক পদাৰ্থৰ তৃতীয় বৃহত্তম ৰপ্তানিকাৰক দেশ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে কৃষিক্ষেত্ৰত দেশ আত্মনিৰ্ভৰ হিচাপে পৰিগণিত হোৱাত উচ্চমানৰ কীটনাশক আৰু সাৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। কৃত্ৰিম ৰাসায়নিক পদাৰ্থৰ আমদানি হ্ৰাস কৰি ঘৰুৱা উৎপাদন আৰু জৈৱ সামগ্ৰীৰ ৰপ্তানি বৃদ্ধিৰ ওপৰত গুৰুত্ব দি ভাৰতে বহনক্ষম কৃষি পদ্ধতিৰ ক্ষেত্ৰত বিশ্বৰ আগশাৰীৰ দেশ হ’ব পাৰে বুলিও শ্ৰীগাডকাৰীয়ে মন্তব্য কৰে।

00000

কলকাতা আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ১১ লৈ বৃদ্ধি পাইছে। কলকাতাৰ কিছু অঞ্চলত পানী শুকাইছে যদিও বহু অঞ্চল এতিয়াও পানীৰ তলত আছে। অৱশ্যে বাছ আৰু মেট্ৰ’ সেৱা স্বাভাৱিক চলি আছে। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে মৃত্যু হোৱা লোকৰ নিকটাত্মীয়লৈ ২ লাখকৈ টকা এককালীন সাহায্য আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। কলকাতাত আজিও বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

00000

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কাইলৈ পৰ্যটকৰ বাবে মুকলি কৰা হ’ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি এই কথা ঘোষণা কৰে। প্ৰথম অৱস্থাত উদ্যানখনৰ বাগৰি সংমণ্ডল জনসাধাৰণৰ বাবে মুকলি কৰা হ’ব। অক্টোবৰৰ দ্বিতীয় সপ্তাহত কঁহৰা সংমণ্ডল মুকলি কৰাৰ সম্ভাৱনা আছে। পহিলা নৱেম্বৰৰ পৰা হাতী ছাফাৰী আৰম্ভ হ’ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

00000

ভাৰত পুৰুষৰ টি-২০ এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছুপাৰ ফ'ৰ পৰ্যায়ৰ নিজৰ দ্বিতীয়খন খেলত ভাৰতে যোৱানিশা বাংলাদেশক ৪১ ৰাণত পৰাস্ত কৰে।

ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰিবলৈ আমন্ত্ৰণ লাভ কৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৬৮ ৰান সংগ্ৰহ কৰে। ভাৰতৰ অভিষেক শৰ্মাই ৩৭ টা বলত ৭৫ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত বাংলাদেশে ছৈফ হাছানৰ ৬৯ ৰানৰ বৰঙণিৰ পাছতো নিৰ্ধাৰিত ১৯ অ'ভাৰ আৰু ৩ টা বলত ১২৭ ৰাণতে আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ কুলদ্বীপ যাদৱে ৩টা আৰু বৰুণ চক্ৰৱৰ্তী আৰু জচপ্ৰিত বুমৰাহে দুটাকৈ উইকেট দখল কৰে। খেলখনত কৰা অনবদ্য প্ৰদৰ্শনৰ বাবে অভিষেক শৰ্মাক প্লেয়াৰ অৱ দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত আজি ডুবাইত নিশা ৮ বজাত ছুপাৰ ফ'ৰ পৰ্যায়ৰ আন এখন খেলত বাংলাদেশ পাকিস্তানৰ মুখামুখি হ'ব। এই খেলখনৰ ফলাফলে প্ৰতিযোগিতাৰ ফাইনেলত উপনীত হ'বলগা দ্বিতীয়টো দল নিৰ্ধাৰণ কৰিব।

00000

আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদ, আই চি চিয়ে আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'ইউ এছ এ ক্ৰিকেট' সংস্থাক সদস্যপদৰ পৰা নিলম্বন কৰিছে। ইউ এছ এ ক্ৰিকেটে আই চি চিৰ সদস্য হিচাপে পৰিষদৰ সংবিধানৰ বাধ্যবাধকতা বাৰে বাৰে আৰু নিয়মিতভাৱে ভংগ কৰি অহা বাবে এই

সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ ভিতৰত কাৰ্য্যকৰী প্ৰশাসন পৰিকাঠামো ৰূপায়ণ কৰাত ব্যৰ্থ হোৱা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ অলিম্পিক আৰু পেৰালিম্পিক সমিতিৰ সৈতে ৰাষ্ট্ৰীয় প্ৰশাসনিক সংস্থাৰ মৰ্যাদা লাভৰ দিশত অগ্ৰগতিৰ অভাৱ আদি আছে। এটা বিবৃতিত আইচিচিয়ে কয় যে এই নিলম্বন দুৰ্ভাগ্যজনক যদিও দীৰ্ঘম্যাদী স্বাৰ্থ ৰক্ষাৰ বাবে এয়া প্ৰয়োজনীয় পদক্ষেপ।

০০০০০

ভাৰতে কালি বিয়লি এ এফ চি ফুটবল এছিয়ান কাপ ২০২৬ প্ৰতিযোগিতাৰ বাবে অনুষ্ঠিত এখন যোগ্যতা নিৰ্ণয়কাৰী খেলত মংগোলিয়াক ৩-০ গ'লত পৰাস্ত কৰে। আৰ্দিয়াত অনুষ্ঠিত গ্ৰুপ এৰ এই খেলখনৰ বিজয় আছিল ফুটবলত ভাৰতৰ প্ৰথম আন্তঃৰাষ্ট্ৰীয় বিজয়। ৰাষ্ট্ৰীয় পৰ্যায়ত এতিয়াও প্ৰাৰম্ভিক অৱস্থাতে থকা ফুটবল খেলত অৰ্জন কৰা এই বিজয় ভাৰতৰ বাবে মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। খেলখনত ভাৰতৰ হৈ ছিয়ন ডিছুজাই দুটা আৰু অনমোল অধিকাৰীয়ে তৃতীয় তথা অন্তিমটো গ’ল দিয়ে।

ভাৰত ইতিমধ্যে কুৱেইট আৰু অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পৰাজয়ৰ পাছত প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। অৱশ্যে মংগোলিয়াৰ বিৰুদ্ধে জয়লাভ কৰি ভাৰতে গ্ৰুপ এত তৃতীয় স্থান দখল কৰে।

০০০০০

সমাপ্ত